**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-08-2026
**Time :** 9-25 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

গোৱালপাৰা বন সংমণ্ডলে বন সংৰক্ষণ, হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে জিলাখনত বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে কৃষ্ণাই বনাঞ্চলৰ অন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলত বন বিভাগে ৭৫ হেক্টৰ ভূমিত বাঁহ ৰোপণ কৰিছে। আজি বনাঞ্চলৰ কাষৰীয়া গাঁও পশ্চিম দাইৰঙৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ বন সজাগতা আৰু বন পৰিচালনা সমিতিৰ মাজত চুক্তি স্বাক্ষৰ সভা অনুষ্ঠিত হয়। গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী তেজাছ মৰিশ্বামীয়ে সভাখনত উপস্থিত থাকি বন সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজক সজাগ কৰাৰ লগতে দাইৰং বন পৰিচালনা সমতি আৰু বন বিভাগৰ মাজত চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে বন বিভাগে ৰোপণ কৰা ৭৫ হেক্টৰ বাঁহ প্ৰতিপালনৰ দায়িত্ব দাইৰং বন বিভাগ পৰিচালন সমিতিক অৰ্পণ কৰা হয়। চুক্তি মতে বাঁহৰ পৰা সংগ্ৰহ হোৱা ধন দাইৰং বন পৰিচালনা সমিতিয়ে লাভ কৰিব। এই পদক্ষেপে বন সুৰক্ষাৰ লগতে বন পৰিচালনা সমিতিৰ সদস্যসকলে আৰ্থিকভাৱে লাভান্বিত হ'ব বুলি বন প্ৰাধিকাৰীগৰাকীয়ে উল্লেখ কৰে। তদুপৰি এনে পদক্ষেপে হাতী-মানুহৰো সংঘাত ৰোধ কৰিব বুলি গোৱালপাৰাৰ বন সংমণ্ডল বিষয়া তেজাছ মৰিশ্বামীয়ে আশা প্ৰকাশ কৰে।

........ **বাইট** ........

0000000

নগাঁও জিলাৰ ১৪ খন গাঁও জিলা পুনৰ বানৰ কবলত পৰিছে। ইয়াৰ ফলত জিলাখনত বান ক্ষতিগ্ৰস্ত গাঁৱৰ সংখ্যা ৭১লৈ বৃদ্ধি পাইছে। বামুণগাঁও, পুখুৰীপাৰ, টকৌবাৰী, ম'হখুচা, হাতীযুঁজোৱা পথাৰকে ধৰি গাঁওসমূহ প্লাবিত হৈ আছে। চামগুৰি ৰাজহ চক্ৰত এখন আৰু ৰূপহী ৰাজহ চক্ৰত দুখন গাঁও বানৰ কবলৰ পৰিছে। এইপৰ্যন্ত জিলাখনৰ ১৭ হাজাৰ ৯০৪ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি ৫ হাজাৰ ১৮৬ হেক্টৰো অধিক কৃষিভূমি বানত বুৰ গৈ আছে।

ইপিনে চুবুৰীয়া ৰাজ্য নাগালেণ্ডত কাইলৈৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা জাননীৰ পাছতে চৰাইদেউ জিলাত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। জিলাখনৰ নামনি অঞ্চল, বান প্ৰৱণ এলেকাৰ লগতে প্ৰতিগৰাকী বাসিন্দাক সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে। ৰাইজক নৈপৰীয়া অঞ্চল, মথাউৰি নাইবা দুৰ্যোগ প্ৰৱণ স্থানসমূহলৈও নাযাবলৈ পৰামৰ্শ দিয়া হৈছে। তদুপৰি কোনোধৰণৰ অপপ্ৰচাৰত পতিয়ন নগৈ প্ৰশাসনৰ নিৰ্দেশনা মানি চলিবলৈ পৰামৰ্শ দিয়া হৈছে। যিকোনো জৰুৰী সাহায্যৰ বাবে ২৪ ঘণ্টাই মুকলি থকা হেল্পলাইন নম্বৰ ৬০০২৬-৭০৫০১ আৰু টোলফ্ৰি নম্বৰ ১০৭৭ত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooooo

নেপালৰ বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬৯ লৈ বৃদ্ধি পাইছে। উদ্ধাৰ আৰু সাহায্য অভিযান দ্ৰুতগতিত অব্যাহত আছে। ইপিনে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে শেহতীয়াকৈ প্ৰকাশ কৰা মতে আজি পশ্চিম কাৰ্বি আংলঙৰ এজন লোক সন্ধানহীন হোৱাৰ তথ্য প্ৰকাশ হৈছে। ইয়াকে লৈ নেপালৰ বানত সন্ধানহীন হোৱা অসমৰ লোকৰ সংখ্যা ১১ লৈ বৃদ্ধি পাইছে। ইপিনে, বানত সন্ধানহীন হোৱা বুলি ইতিপূৰ্বে প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা, পশ্চিম কাৰ্বি আংলঙৰ শিৱ মাৰাক, চাৰ্বিচন মাৰাক আৰু এলিপচন চাংমা নামৰ লোক কেইজন নিৰাপদে আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্যত প্ৰকাশ পাইছে।

নেপাল চৰকাৰে দক্ষিণ চিটৱান জিলাত ভোটে কোশী নৈৰ বিধবংসী বানত প্ৰাণ হেৰুওৱা প্ৰশাসনে চিনাক্ত কৰিব নোৱৰা ২২৯ গৰাকী লোকৰ মৃতদেহ সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। মৃতদেহসমূহৰ অৱস্থা বেয়াৰ পিনে ঢাল খোৱাৰ ফলত সংক্ৰমণৰ আশংকালৈ চাই এই সিদ্ধান্ত লোৱা হৈছে।

ooooooo

কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হয়। সৰুসজাইত ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হয়। ক্ৰীড়া, শাৰীৰিক সুস্থতা আৰু অসমৰ চহকী থলুৱা ক্ৰীড়া পৰম্পৰাৰ প্ৰচাৰৰ উদ্দেশ্যে এলানি ক্ৰীড়া প্ৰতিযোগিতা, প্ৰদৰ্শনী আৰু কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী উপস্থিত থাকে। এই অনুষ্ঠানত ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক কমনৱেল্থ গেম্ছৰ স্বৰ্ণ পদক বিজয়ী নয়নমণি শইকীয়াও উপস্থিত থাকে।

শ্ৰীভূমি জিলাতো ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু বাৰ্ষিক ক্ৰীড়া কাৰ্যসূচী আজি অনুষ্ঠিত হয়। পিএমশ্ৰী কেন্দ্ৰীয় বিদ্যালয়ৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ বিধায়ক জাকাৰিয়া আহমেদে অংশ লৈ ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ উজ্বল ভৱিষ্যৎ কামনা কৰে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে ক্ৰীড়াৰ সৈতে জড়িত লোকসকলৰ লগতে যুৱ প্ৰজন্মক শুভেচ্ছা জ্ঞাপন কৰি তেওঁ যুৱক-যুৱতীসকলক নিয়মীয়াকৈ খেলা-ধূলাত অংশ ল'বলৈ আহ্বান জনায়।

ooooooo

ঃঃ সমাপ্ত ঃঃ